# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-07-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

১। ৰাজ্যত মুঠ ১ লাখ ১৯ হাজাৰ ৫৪৮ বিঘা ভূমি অবৈধ দখলমুক্ত হৈছে বুলি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

২। কেন্দ্ৰীয় ৰাজ্যমন্ত্ৰী প্ৰতাপ ৰাও যাদৱৰ ধুবুৰী জিলাৰ অভিলাষী জিলা পৰিকল্পনাৰ মূল অংশীদাৰ সকলৰ সৈতে মত বিনিময়।

৩। কোকৰাঝাৰত ৰাজ্যত তৃতীয়টো উচ্চ মান সম্পন্ন ক্ৰীড়া প্ৰকল্প মুকলি।

৪। গুৱাহাটী শিশু মহোৎসৱৰ আজি ষষ্ঠ দিনাও শিশুৰ বাবে কেইবাটাও আকৰ্ষণীয় অনুষ্ঠান। *আৰু*

৫। মালয়ছিয়া ভ্ৰমণৰত অসম ক্ৰিকেট সন্থাৰ মহিলা দলৰ পাঁচখনীয়া এদিনীয়া শৃংখলাৰ আটাইকেইখন খেলতে জয়লাভৰ কৃতিত্ব অৰ্জন।

০০০০০

ৰাজ্যত মুঠ ১ লাখ ১৯ হাজাৰ ৫৪৮ বিঘা ভূমি অবৈধ দখলৰপৰা মুক্ত কৰা হৈছে। ইয়াৰে ৮৪ হাজাৰ ৭৪৩ বিঘা বনাঞ্চলৰ, ৩ হাজাৰ ৬৪৩ বিঘা গাঁৱৰ চৰণীয়া পথাৰ আৰু সংৰক্ষিত চৰণীয়া পথাৰ, ৪ হাজাৰ ৪৪৯ বিঘা সত্ৰ-নামঘৰ-মন্দিৰৰ ভূমি আছে। তেওঁ কয় যে দখলমুক্ত কৰা ভূমি গুৱাহাটী মহানগৰীৰ আকাৰৰ সমান । উচ্ছেদ কৰা ভূমিৰ ভিতৰত শোণিতপুৰত সৰ্বাধিক ৩৯ হাজাৰ ৫২৭ বিঘাৰো অধিক, দৰঙত ১৭ হাজাৰ ৯০৫ বিঘা আৰু লখিমপুৰত ১৩ হাজাৰ ৪৮১ বিঘাৰো অধিক ভূমি আছে বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। সংৰক্ষিত বনাঞ্চলৰ ভূমিৰপৰা দখলকাৰীক উচ্ছেদৰ ফলত ৰাজ্যখনলৈ নতুন পৰিৱেশ ঘূৰি আহিছে বুলি মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে।

**(বাইট মুখ্যমন্ত্ৰী)**

তেওঁ কয় যে ব্যাপক অনুপ্ৰৱেশ আৰু জিলাসমূহৰ জনগাঁথনিৰ সলনিৰ অভিসন্ধিৰে পৰিকল্পিত দখলৰ ফলত অসমে অস্তিত্বৰ ভাবুকিৰ সন্মুখীন হৈছে। এই উচ্ছেদ অভিযানক ৰাজনৈতিক দৃষ্টিভংগীৰে গ্ৰহণ নকৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়।লখিমপুৰত উচ্ছেদ অভিযানৰ সময়ত একাংশ ৰাজনৈতিক নেতাই বিষয়টোক অন্যৰূপ দিয়াৰ চেষ্টা চলোৱাৰ লগতে উদ্দেশ্যপ্ৰণোদিতভাৱে মূল বিষয়টোৰ পৰা আঁতৰি থাকিল বুলিও তেওঁ উল্লেখ কৰে।

ইপিনে ভূমি, বনাঞ্চল, জলাশয়, ধৰ্মীয় স্থান আদি দখলমুক্ত কৰাৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তত বিজেপিয়ে মুখ্যমন্ত্ৰী ডঃ শৰ্মাক ধন্যবাদ জ্ঞাপনৰ কাৰ্যসূচী লৈছে। গুৱাহাটীত খানাপাৰাত আজি এই উপলক্ষে আয়োজিত অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ সভাপতি দীলিপ শইকীয়াই অংশ লয়। একেদৰে উচ্ছেদৰ সমৰ্থনত ধুবুৰী জিলা বিজেপিয়ে চহৰখনত শোভাযাত্ৰা উলিয়ায়। কাছাৰ জিলা বিজেপিয়ে সমদল উলিয়াই আজি উচ্ছেদ অভিযানপ

প্ৰতি সমৰ্থন ব্যক্ত কৰে। সমদলত সাংসদ কনাড পুৰকায়স্থ, পৰিমল শুক্লবৈদ্যৰ উপৰি দলৰ ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে।

০০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ দপ্তৰৰ ৰাজ্যমন্ত্ৰী প্ৰতাপ ৰাও যাদৱে আজি ধুবুৰী জিলাত উপস্থিত হৈ জিলাখনৰ উন্নয়নমূলক কাম-কাজৰ বুজ লয়। অভিলাষী জিলা হিচাপে ঘোষণা হোৱাৰ পাছত জিলাখন ভ্ৰমণলৈ অহা মন্ত্ৰীগৰাকীয়ে অভিলাষী জিলা পৰিকল্পনাৰ মূল অংশীদাৰ সকলৰ সৈতে মত বিনিময় কৰে। তেওঁ জিলা আৱৰ্ত ভৱনৰ প্ৰেক্ষাগৃহত জিলা প্ৰশাসনৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকতো অংশ লয়। ইয়াৰ পূৰ্বে মন্ত্ৰীগৰাকীয়ে ধুবুৰী জিলাৰ গৌৰীপুৰ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ত নৱনিৰ্মিত শ্ৰেণীকোঠা পৰিদৰ্শন কৰে।

০০০০০

তৃণমূল পৰ্যায়ৰ পৰা ক্ৰীড়াৰ অনুকুল পৰিৱেশ সৃষ্টিৰ বাবে অসম চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কোকৰাঝাৰত ৰাজ্যত তৃতীয়টো উচ্চ মান সম্পন্ন ক্ৰীড়া প্ৰকল্প উদ্বোধন কৰে। ক্ৰীড়া সম্পৰ্কীয় বিভিন্ন দিশৰ প্ৰশিক্ষণ আৰু পুনৰ সংস্থাপনৰ বাবে এই কেন্দ্ৰটো মুকলি কৰা হৈছে। ৰাজ্য চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগ, অইল ইণ্ডিয়া লিমিটেড, নুমলীগড় শোধনাগাৰ লিমিটেডৰ সহযোগত কেন্দ্ৰটো স্থাপনৰ ক্ষেত্ৰত অলিম্পিক পদক বিজেতা অভিনৱ বিন্দ্ৰাই বিশেষ পদক্ষেপ লৈছে। ২৫ কোটি ৭০ লাখ টকাৰ ব্যয় সাপেক্ষে নিৰ্মাণ কৰা কেন্দ্ৰটোত উন্নত ক্ৰীড়া প্ৰযুক্তি, তৃণমূল পৰ্যায়ৰ এথলীটৰ বিভিন্ন সা-সুবিধা আৰু তেওঁলোকৰ যোগ্যতা নিৰূপণৰ ব্যৱস্থা আছে। মুখ্যমন্ত্ৰীয়ে ভাষণত কয় যে ৰাজ্য চৰকাৰে বিটিআৰৰ ক্ৰীড়া প্ৰতিভাক উদগণি যোগোৱাৰ বাবে কাৰ্যকৰী পদক্ষেপ লৈছে। কোকৰাঝাৰত অতুলনীয় ক্ৰীড়া প্ৰতিভা থকাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকৰ উত্তৰণৰ বাবে যথোচিত ব্যৱস্থা লোৱা হ'ব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। উদ্বোধনী অনুষ্ঠানত বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰী নন্দিতা গাৰ্লোচা উপস্থিত থাকে।

০০০০০

নিষিদ্ধ ঘোষিত উগ্ৰপন্থী সংগঠন আলফা স্বাধীনৰ কাৰ্যকলাপ ৰোধৰ বাবে চৰাইদেউ জিলাত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। অসম-নাগালেণ্ড-অৰুণাচল প্ৰদেশৰ সীমান্তত অৱস্থিত জিলাখনত দিনে-নিশাই নিৰাপত্তা বাহিনীৰ তহল বৃদ্ধি কৰা হৈছে। ইয়াৰোপৰি নাগালেণ্ড আৰু অৰুণাচলৰ পৰা চৰাইদেউ জিলাত প্ৰৱেশ কৰা স্পৰ্শকাতৰ পথসমূহত বিশেষ তালাচী চকী স্থাপন কৰি এই পথসমূহেৰে অহা-যোৱা কৰা বাহনৰ তালাচী চলোৱা হৈছে। সমাগত স্বাধীনতা দিৱসৰ পূৰ্বে এই পথসমূহেৰে যাতে আলফা স্বাধীনৰ সদস্যাই জিলাখনত প্ৰৱেশ কৰি কোনোধৰণৰ কূটাঘাতমূলক কাৰ্যকলাপ সংঘটিত কৰিব নোৱাৰে তাৰ বাবে বিশেষ তৎপৰতা গ্ৰহণ কৰা হৈছে। অসম আৰক্ষীৰ মহাপৰিদৰ্শক সত্যৰাজ হাজৰিকাই চৰাইদেউ জিলাৰ সদৰ সোণাৰিত আৰক্ষী অধীক্ষক সুৰজিৎ সিং পানেচৰ আৰু অন্যান্য শীৰ্ষ বিষয়াসকলৰ সৈতে নিৰাপত্তা সন্দৰ্ভত আলোচনাত মিলিত হয়। জিলাখনৰ নিৰাপত্তা ব্যৱস্থা সন্দৰ্ভত আৰক্ষী মহাপৰিদৰ্শগৰাকীয়ে এইদৰে কয়—-

**বাইট (সত্যৰাজ হাজৰিকাই )**

০০০০০

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত  চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানৰ খেলপথাৰত চলি থকা গুৱাহাটী শিশু মহোৎসৱৰ আজি ষষ্ঠ দিনাও শিসুসকলৰ বাবে  কলা-সংস্কৃতিৰ কৰ্মশালা অনুষ্ঠিত হয়। পুৱা ১০ বজাত আৰতি হাজৰিকাৰ যোগাসনৰ প্ৰশিক্ষণেৰে শিশু মহোৎসৱৰ কাৰ্যসূচী আৰম্ভ  হয়। যোগভ্যাসৰ পাছত  নাটক, নৃত্য, মূকাভিনয়, সুকুমাৰ কলাৰ কৰ্মশালাত বিশিষ্ট নাট্যকাৰ-পৰিচালক ৰবিজিতা গগৈ, নাট্য শিল্পীদ্বয় ৰাজীৱ কুমাৰ সাউদ, সুনম দেৱী, বিশিষ্ট শিল্পী মইনুল হক, দেৱকান্ত হাজৰিকা, দিগন্ত হাজৰিকা, শিল্পী প্ৰিয়ংকা কাশ্যপ, ভায়োলীনা তালুকদাৰ আদিয়ে সমল ব্যক্তিৰূপে অংশগ্ৰহণ কৰে। বিগত কেইদিনৰ দৰে গুৱাহাটী শিশু মহোৎসৱত আজি বিয়লি ৩ বজাৰ পৰা আৰ্মাইন অগুা পৰিচালিত শিশু উপযোগী প্ৰখ্যাত এনিমেটেড ছবি “দ্য ছঙ্ অৱ ফ্লাইং লিভ্‌চ”  প্ৰদৰ্শন কৰা হয়। চলচ্চিত্ৰ প্ৰদৰ্শনৰ পাছত  বিয়লি ৪-৩০ বজাৰ পৰা সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হয়।

০০০০০

ভাৰতীয় মহাকাশচাৰী কেপ্তেইন শুভাংশু শুক্লা আৰু Axiom-4 অভিযানৰ আন তিনিজন মহাকাশচাৰীয়ে ১৮ দিনীয়া অভিযানৰ অন্তত আজি পৃথিৱীপৃষ্ঠত পদাৰ্পণ কৰে। অভিযানৰ অংশ হিচাপে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত গৱেষণাৰ পাছত ড্ৰেগন কেপছুলৰ সহায়ত মহাকাশচাৰীসকলে প্ৰশান্ত মহাসাগৰত অৱতৰণ কৰে। এই অভিযানৰ সফলতাৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে মহাকাশচাৰীসকলক আদৰণি জনায়। উল্লেখযোগ্য যে কালি বিয়লি ৪ বাজি ৩০ মিনিটত আনডকিং প্ৰক্ৰিয়া আৰম্ভ হৈছিল। অৱতৰণৰ পিছত গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই অন্যান্য সদস্যসকলৰ সৈতে পৃথিৱীৰ মাধ্যাকৰ্ষণ শক্তিৰ লগত পুনৰ খাপ খাব পৰাকৈ ৭ দিনীয়া বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিব। উল্লেখযোগ্য যে গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাই আন তিনিগৰাকী সদস্যৰ সৈতে আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ গৈছিল। তেওঁ আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰ ভ্ৰমণ কৰা প্ৰথমজন ভাৰতীয় আৰু ১৯৮৪ চনত মহাকাশলৈ যোৱা উইং কমাণ্ডাৰ ৰাকেশ শৰ্মাৰ পিছত দ্বিতীয়জন ভাৰতীয় মহাকাশচাৰী হিচাপে পৰিগণিত হয়।

০০০০০

ৰাজ্যৰ কেইবাখনো জিলাত জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ কমেও ২৪জন লোকৰ মৃত্যু হৈছে।  উজনি আৰু নামনি অসমৰ কেইবাখনো জিলাৰ লগতে বৰাক উপত্যকাতো কমেও ২৫০ জন লোক এই ৰোগত আক্ৰান্ত হৈছে বুলি চৰকাৰী সূত্ৰত প্ৰকাশ পাইছে। নলবাৰী, গোলাঘাট আৰু দৰং জিলাত সৰ্বাধিক লোক এই ৰোগত আক্ৰান্ত হৈছে। নলবাৰীত ১৯, গোলাঘাট আৰু দৰঙত ১৮ জনকৈ লোক এই ৰোগত আক্ৰান্ত হোৱাৰ তথ্য পোৱা গৈছে।

ধেমাজি জিলাত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ অব্যাহত আছে। জিলাখনত এইপৰ্যন্ত তিনিজন ৰোগীয়ে এই ৰোগত প্ৰাণ হেৰুৱাইছে। স্বাস্থ্য বিভাগৰ তথ্য অনুসৰি জিলাখনত জাপানীজ এনকেফেলাইটিছ সদৃশ ৰোগত ১৯ জন লোক আক্ৰান্ত হৈছে। ইয়াৰে ৭ জনৰ শৰীৰত এই ৰোগৰ উপস্থিতি নিশ্চিত হৈছে। আক্ৰান্তসকলক ধেমাজি অসামৰিক চিকিৎসালয়ত পৰ্যাপ্ত চিকিৎসা প্ৰদান কৰি থকা হৈছে আৰু গুৰুতৰভাৱে আক্ৰান্ত ৰোগীসকলক ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হৈছে।

গোলাঘাট জিলাত জাপানীজ এনকেফেলাইটিছত আক্ৰান্তৰ সংখ্যা ১৯ লৈ বৃদ্ধি পাইছে। শোণিতপুৰ জিলাতো এই ৰোগে গুৰতৰ ৰূপ ধাৰণ কৰিছে। এই ৰোগত আক্ৰান্ত হৈ জিলাখনত এটি শিশুসহ দুগৰাকী

লোকৰ মৃত্যু হৈছে। জিলা স্বাস্থ্য বিভাগে এই ৰোগৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে ঠায়ে ঠায়ে ফ'গিং কৰাৰ লগতে আঁঠুৰা ঔষধিকৰণ আৰু সজাগতামূলক কাৰ্যমূলক কাৰ্যসূচী গ্ৰহণ কৰিছে।

দেশৰ ভিতৰতে অসমত এই ৰোগৰ প্ৰাদুৰ্ভাৱ অধিক বুলিও সংশ্লিষ্ট বিভাগৰ সূত্ৰত প্ৰকাশ পাইছে। সূত্ৰটোৱে প্ৰকাশ কৰা অনুসৰি যোৱা ৭ বছৰত অৰ্থাৎ ২০১৮ বা ২০২৪ চনলৈ ৰাজ্যখনত ৩ হাজাৰ ৩৪০ জন লোক এই ৰোগত আক্ৰান্ত হৈছে। ইয়াৰ ভিতৰত ৫২৯ জনৰ মৃত্যু হৈছে।

ooooo

ৰাষ্ট্ৰসংঘৰ খাদ্য কাৰ্যসূচীৰ অধীনত অসম চৰকাৰৰ খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগে ৰাজ্যৰ শিশু আৰু মহিলাৰ ৰক্তাল্পতা দূৰ কৰাৰ বাবে **পুষ্টি প্ৰথম** নামৰ এখন আঁচনি ৰূপায়ণ কৰি আছে। এই আঁচনিৰ অধীনত ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু মধ্যাহ্ন ভোজন আঁচনিৰ অধীনত যোগান ধৰা চাউলত ফৰ্টিফাইড অৰ্থাৎ পৰিপুষ্টিযুক্ত চাউল সংযুক্ত কৰি যোগানৰ ব্যৱস্থা কৰা হৈছে। এই আঁচনিৰ সৈতে যুক্ত ডিব্ৰুগড়ৰ ব্ৰহ্মপুত্ৰ ফাউণ্ডেচন ফৰ ছ'চিয়েল ৰিচাৰ্ছ এণ্ড লাইভলীহুড প্ৰেক্টিছৰ এগৰাকী কৰ্মকৰ্তা ভাস্কৰজ্যোতি ভূঞাই এই আঁচনিখন সম্পৰ্কত থকা কেতবোৰ ভ্ৰান্ত ধাৰণা দূৰ কৰাৰ সন্দৰ্ভত এইদৰে কয়—

**বাইট (ভাস্কৰজ্যোতি ভূঞাই)**

ooooo

ৰাজ্যৰ শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি ধেমাজি জিলাত বন অধিকাৰ আইনৰ অধীনত জনজাতীয় আৰু পৰম্পৰাগতভাৱে বনাঞ্চলত বাস কৰি অহা লোকসকলক ভূমি পট্টা বিতৰণৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ধেমাজি জিলাৰ বৰদলনি উন্নয়ন খণ্ডৰ অধীনৰ মিংমাং গাঁও পঞ্চায়তৰ কৃষ্টি ভৱনত জিলা প্ৰশাসনে আয়োজন কৰা প্ৰধানমন্ত্ৰী ধৰতী আবা জন অংশীদাৰী অভিযানৰ সামৰণি কাৰ্যসূচীত অংশগ্ৰহণ কৰি মন্ত্ৰী ডাঃ পেগুৱে ভূমি পট্টা বিতৰণ কৰে। মন্ত্ৰীগৰাকীয়ে জিলাখনৰ বিভিন্ন সংৰক্ষিত বনাঞ্চলত বন অধিকাৰ আইনৰ অধীনত প্ৰায় ৮ হাজাৰ আবেদনৰ প্ৰক্ৰিয়া চলি আছে বুলি জানিবলৈ দি চৰকাৰে সোনকালেই সকলোকে ভূমি পট্টা প্ৰদান কৰিব বুলি আশ্বাস দিয়ে।

ooooo

শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আয়ুক্তগৰাকীৰ অধ্যক্ষতাত মুখ্যমন্ত্ৰীৰ **এটি কলি দুটি পাত** আঁচনি ৰূপায়ণ সন্দৰ্ভত আজি এখন বৈঠক অনুষ্ঠিত হয়। চাহ বাগিচাৰ স্থায়ী আৰু অস্থায়ী শ্ৰমিকৰ লগতে কৰ্মচাৰীসকলক এককালীন আৰ্থিক সাহায্য প্ৰদানৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী **এটি কলি দুটি পাত** শীৰ্ষক আঁচনিখন আৰম্ভ কৰা হৈছে। বৈঠকত জিলাখনৰ দহখন চাহ বাগিচা কৰ্তৃপক্ষই অংশগ্ৰহণ কৰে। বৈঠকত আঁচনিখন ৰূপায়ণৰ ক্ষেত্ৰত চাহ বাগিচাৰ কৰ্মীসকলৰ কাৰ্যালয়ত নথিভুক্ত মজুৰিৰ তালিকা আৰু আধাৰকাৰ্ডৰ ক্ষেত্ৰত দেখা দিয়া অসুবিধাসমূহ দূৰীকৰণৰ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। এই সন্দৰ্ভত জিলা আয়ুক্তগৰাকীয়ে আধাৰকাৰ্ডত সন্নিবিষ্ট তথ্যকে ভিত্তি হিচাপে গ্ৰহণ কৰি তালিকাসমূহৰ শুদ্ধৰণি কৰিবলৈ চাহ বাগিচাৰ কৰ্তৃপক্ষক পৰামৰ্শ দিয়ে। লগতে ১৭ জুলাইৰ ভিতৰত সংশোধিত তালিকাসমূহ জিলা আয়ুক্তৰ কাৰ্যালয়লৈ প্ৰেৰণ কৰাৰ নিৰ্দেশ দিয়ে।

ooooo

অসম ক্ৰিকেট সন্থাৰ মহিলা দলটোৱে মালয়ছিয়া ভ্ৰমণৰ পাঁচখনীয়া এদিনীয়া শৃংখলাটোৰ আটাইকেইখন খেলতে জয়লাভ কৰাৰ কৃতিত্ব অৰ্জন কৰিছে। শৃংখলাটোৰ অন্তিমখন খেলত আজি অসমৰ মহিলা দলটোৱে মালয়ছিয়াৰ বিৰুদ্ধে ১২৮ ৰানত জয়লাভ কৰে। খেলখনত টছত জয়লাভ কৰি অসম দলে

প্ৰথমে ৪৯ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২০৮ ৰান সংগ্ৰহ কৰে। অসমৰ হৈ অপেনাৰ গায়ত্ৰী গুৰুঙে ৯২ ৰান কৰাৰ লগতে অধিনায়ক ৰশ্মি দে'ই ৫৬ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ঘৰুৱা দলটোৱে ৩৭ অভাৰ ৫টা বলত ৯টা উইকেট হেৰুৱাই মাত্ৰ ৮০ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। অসমৰ ৰশ্মি দে, মৌচুমী নৰহ আৰু নিৰুপমা বড়োৱে দুটাকৈ উইকেট দখল কৰে। এই জয়েৰে অসম দলে আটাইকেইখন খেলতে জয়ৰ কৃতিত্ব অৰ্জন কৰে। অসম ক্ৰিকেট সন্থাৰ সভাপতি তৰংগ গগৈ আৰু সচিব তৰংগ গগৈয়ে মহিলা দলটোৰ উৎকৃষ্ট প্ৰদৰ্শনৰ অভিনন্দন জনায়।

ooooo

আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ অভিযান্ত্ৰিক সহায়ক গোবিন্দ গোস্বামীৰ মগজুৰ ৰক্তক্ষৰণ হৈ আজি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। ২০১২ চনত অৱসৰ গ্ৰহণ কৰা গোস্বামীৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৭৩ বছৰ।

ooooo

সমাপ্ত